# 2019

## ELECTIVE ASSAMESE

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ লিখা : ১×৭=৭

(ক) অসমীয়া আখ্যানমূলক গীতক প্ৰধানকৈ কেইটা ভাগত ভগোৱা হয়?

(খ) ধাইনামক আৰু কি নামেৰে জনা যায়?

(গ) ৰুদ্ৰ কন্দলীয়ে কোনজন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল?

(ঘ) 'হৰগৌৰী সংবাদ' কাৰ ৰচনা?

(ঙ) বৰগীতৰ বিষয়বস্তুক কেইটা ভাগত ভগাব পাৰি?

(চ) বৈষ্ণৱ আন্দোলনৰ প্ৰভাবমুক্ত হৈ বৈষ্ণৱ যুগত কাব্যচৰ্চা কৰা যি কোনো এগৰাকী কবিৰ নাম উল্লেখ কৰা।

(ছ) অসমীয়া ভাষা কি লিপিত লিখা হয়?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) বিহুগীতৰ যি কোনো দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে মাধৱ কন্দলিৰ ৰামায়ণত কোন দুটা কাণ্ড সংযোগ কৰিছিল?

(গ) ভটিমা কি? ই কেইপ্ৰকাৰৰ?

(ঘ) অসমীয়া লিপিৰ ক্ৰমবিৱৰ্তনৰ যুগ কেইটা? উমাচলৰ লিপি কোন যুগৰ ভিতৰুৱা?

৩। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) অসমীয়া সাধুকথা

(খ) প্ৰাক্‌শংকৰী যুগৰ সাহিত্যৰ বৈশিষ্ট্য

(গ) অংকীয়া নাট

(ঘ) পীতাম্বৰ কবিৰ উষা-পৰিণয়

(ঙ) মধ্যযুগীয় অসমীয়া লিপি

৪। (ক) অসমীয়া অনুষ্ঠানমূলক লোকগীত সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) প্ৰাক্‌শংকৰী যুগৰ যুদ্ধবিষয়ক কাব্যসমূহৰ চমু পৰিচয় দিয়া।





৫। (ক) শংকৰদেৱ আৰু মাধৱদেৱৰ বৰগীতৰ তুলনাত্মক আলোচনা দাঙি ধৰা। ১০

*অথবা*

(খ) অনন্ত কন্দলীৰ সাহিত্যিক কৃতি সম্পৰ্কে কি জানা, লিখা।

৬। (ক) পাঁচালী সাহিত্য বুলিলে কি বুজা? এইবিধ সাহিত্যৰ বৈশিষ্ট্যবোৰ কেনেধৰণৰ? ১০

*অথবা*

(খ) বিভিন্ন যুগত প্ৰাপ্ত অসমীয়া লিপিৰ নিদৰ্শনসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

★★★